**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-03-2026
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ অৰ্থনীতিৰ বাবে কৃষি ক্ষেত্ৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে পৰিগণিত হৈ আহিছে বুলি মত প্ৰকাশ কৰিছে।

২। অসমৰ কাৰ্বি আংলঙত দুৰ্ঘটনাত পতিত ছু-30 যুঁজাৰু বিমানখনৰ সন্ধানহীন চালক দুজনৰ মৃত্যু হোৱা বুলি বায়ুসেনা বাহিনীয়ে নিশ্চিত কৰিছে।

৩। পশ্চিম এছিয়াৰ পৰিস্থিতি অপৰিৱৰ্তিত হৈছে। আজি সপ্তম দিনাও দেশকেইখনৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ অব্যাহত আছে।

৪। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ গোলকীয় দক্ষিণৰ দেশসমূহৰ বাবে স্থিৰ সামুদ্ৰিক বিকাশ অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰিছে।

আৰু

৫। অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত শীৰ্ষৰ আঠটা স্থানৰ বাবে ভাৰতৰ লক্ষ্য সেন আজি চীনৰ সপ্তম বাছনিৰ খেলুৱৈ লী শ্বি ফেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ অৰ্থনীতিৰ বাবে কৃষি ক্ষেত্ৰ সদায় ৰাজহাড়স্বৰূপ হৈ থকাৰ লগতে দেশৰ দীৰ্ঘদিনীয়া উন্নয়নৰ যাত্ৰাপথত ই এটা গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে পৰিগণিত হৈ আহিছে বুলি মত প্ৰকাশ কৰিছে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে আজি অনুষ্ঠিত কৃষি আৰু গ্ৰাম্য ৰূপান্তৰকৰণ বিষয়ক এখন বাজেটৰ পৰৱৰ্তী ৱেবিনাৰত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে ক্ৰমাগতভাৱে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে চলিত বৰ্ষৰ কেন্দ্ৰীয় বাজেটে কৃষি আৰু গ্ৰাম্য ৰূপান্তৰকৰণৰ বিষয়ত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। খাদ্যশস্য, মাহজাতীয় শস্য আৰু তৈল বীজৰ উৎপাদনত ভাৰত সম্প্ৰতি অভিলেখৰ অধিকাৰী হৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

কৃষি খণ্ডক প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰাৰ বিষয়ত চৰকাৰে বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ই-নামৰ জৰিয়তে কৃষকলৈ গণতান্ত্ৰিকভাৱে বজাৰ লাভৰ সুবিধা আগবঢ়োৱা হৈছে। একেদৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা, স্বামিত্ব যোজনা, প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনা আৰু আত্মসহায়ক গোটসমূহলৈ বিত্তীয় সাহায্য আগবঢ়োৱাৰ আঁচনিয়ে গ্ৰাম্য অৰ্থনীতিক ক্ৰমাগতভাৱে শক্তিশালী কৰি তুলিছে বুলিও তেওঁ মত প্ৰকাশ কৰে। শ্ৰীমোদীয়ে লগতে পশুপালন খণ্ডক গ্ৰাম্য অৰ্থনীতিৰ উন্নয়নৰ অন্যতম কাৰক হিচাপেও অভিহিত কৰে। দেশত ৩ কোটি লাখপতি দিদি সৃষ্টি কৰাৰ লক্ষ্যত সফলতাৰে উপনীত হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে ২০২৯ চনৰ ভিতৰত নতুনকৈ ৩ কোটি লাখপতি দিদি সৃষ্টি কৰাৰ বাবে চৰকাৰে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।

০০০০

পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে ইন্ধনৰ আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা আৰু দেশখনক শক্তি খণ্ডত আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে জৈৱ-গেছক সৰ্বোৎকৃষ্ট উপায় হিচাপে অভিহিত কৰিছে। পুণেস্থিত যশৱন্ত ৰাও চৱন উন্নয়ন প্ৰশাসন একাডেমীত আয়োজিত ২০২৬ বৰ্ষৰ সংকুচিত জৈৱ-গেছ্‌ অভিৱৰ্তনৰ উদ্বোধনী ভাষণত তেওঁ এইদৰে মত প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত ভাৰতীয় সেউজ শক্তি ফেডাৰেচনৰ অধ্যক্ষ প্ৰমোদ চৌধাৰী আৰু সাংসদ ড০ টি কৃষ্ণ প্ৰসাদো উপস্থিত থাকে। ভাৰতে প্ৰতি বছৰে ১৬ লাখ কোটি টকাতকৈও অধিক মূল্যৰ ইন্ধন আমদানি কৰে বুলি উল্লেখ কৰি শ্ৰীগাডকাৰীয়ে বিদেশৰ ওপৰত এনে ধৰণৰ নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপায় হিচাপে তেওঁ সংকুচিত জৈৱ-গেছৰ লেখিয়া থলুৱাভাৱে উৎপাদিত তথা সুলভ মূল্যৰ ইন্ধন ব্যৱহাৰৰ প্ৰসংগও উল্লেখ কৰে। দিল্লী আৰু উত্তৰ ভাৰতৰ নৰা জ্বলাই দিয়াৰ ফলত উদ্ভৱ হোৱা প্ৰদূষণৰ গুৰুতৰ সমস্যাৰ প্ৰসংগ উল্লেখ কৰি কৃষি ক্ষেত্ৰৰ আৱৰ্জনাৰ পৰা জৈৱ-গেছ্‌ উৎপাদনৰ জৰিয়তে এই ক্ষেত্ৰত উপকৃত হ'ব পাৰি বুলিও মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০

অসমৰ কাৰ্বি আংলং জিলাৰ বোকাজান মহকুমাৰ চকীহোলা থানাৰ অন্তৰ্গত ইংলং ইক্‌পি পাহাৰত কালি সন্ধিয়া দুৰ্ঘটনাত পতিত ছুখয় ছু-30 MKI শ্ৰেণীৰ যুঁজাৰু বিমানখনৰ সন্ধানহীন চালক দুজনৰ মৃত্যু হোৱা বুলি বায়ুসেনা বাহিনীয়ে নিশ্চিত কৰিছে। নিয়মীয়া অনুশীলনৰ সময়তে দুৰ্ঘটনাগ্ৰস্ত হোৱা বিমানখনৰ চালক স্কোৱাড্ৰন লীডাৰ অনুজ আৰু ফ্লাইট লেফটেনেণ্ট পুৰ্বেশ দুৰাকাৰৰ মৃত্যুৰ বাতৰি বায়ুসেনাই সামাজিক মাধ্যমৰ জৰিয়তে সদৰি কৰিছে। ঘটনাটোত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে গভীৰ শোকপ্ৰকাশ কৰিছে।

ভাৰতীয় বায়ুসেনা বাহিনীয়ে তেওঁলোকৰ X হেণ্ডেল যোগে কালি সন্ধিয়া ৭ বাজি ৪২ মিনিটৰ পৰা যুঁজাৰু বিমানখনৰ সৈতে ৰাডাৰৰ যোগাযোগ বিচ্ছিন্ন হোৱা বুলি সদৰী কৰি উদ্ধাৰ অভিযান অব্যাহত ৰাখিছিল। বিমানখনে পাহাৰত খুন্দা মাৰি অগ্নিদগ্ধ হয় বুলি স্থানীয় লোকৰ উদ্ধৃতিৰে আকাশবাণীৰ কাৰ্বি আংলঙৰ সংবাদদাতাই জানিবলৈ দিছে। ঘটনাস্থলীত উপস্থিত হোৱা উদ্ধাৰকাৰী দলে স্থানীয় ৰংখেলান গাঁৱৰ বাসিন্দাসকলৰ সহযোগত উদ্ধাৰ অভিযান আৰম্ভ কৰি ইতিমধ্যে পাইলট দুজনৰ মৃতদেহৰ অৱশিষ্টৰ লগতে দুৰ্ঘটনাগ্ৰস্ত বিমানখনৰ ভগ্নাৱশেষো উদ্ধাৰ কৰিছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কাইলৈ এদিনীয়া ভ্ৰমণসূচীৰে পশ্চিম বংগৰ দাৰ্জিলিঙলৈ আহিব। এই ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতিগৰাকীয়ে আন্তঃৰাষ্ট্ৰীয় চাওতাল পৰিষদৰ উদ্যোগত আয়োজিত নৱম আন্তঃৰাষ্ট্ৰীয় চাওতাল সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০

ইৰাণ, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ মাজৰ সংঘৰ্ষই আজি সপ্তম দিনত প্ৰৱেশ কৰিছে। পশ্চিম এছিয়াৰ বিভিন্ন দেশৰ পৰা আজিও সংঘৰ্ষৰ শেহতীয়া বাতৰি আমালৈ আহিছে। কাটাৰৰ বায়ু প্ৰতিৰক্ষা বাহিনীয়ে আজি ইৰাণে দোহাৰ অল উবেইড বিমান ঘাটিক লক্ষ্য কৰি নিক্ষেপ কৰা এটা ড্ৰোণ সফলভাৱে প্ৰতিহত কৰে। অল উবেইড হৈছে পশ্চিম এছিয়াত থকা আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৰ্ববৃহৎ সামৰিক ঘাটি। কাটাৰৰ গৃহ মন্ত্ৰালয়ে নিৰাপত্তাৰ ভাবুকিসমূহ নিষ্ক্ৰিয় কৰা হৈছে আৰু পৰিস্থিতি পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি অহা বুলি প্ৰকাশ কৰিছে। বাহৰেইনৰ ৰাজধানী মানামাত ইৰাণৰ আক্ৰমণত এখন হোটেল আৰু দুটা আবাসিক ভৱন ধ্বংস হয়। দেশখনত ইৰাণৰ প্ৰতি সমৰ্থন আগবঢ়াই ভিডিঅ' প্ৰস্তুত কৰা

চাৰিজন লোকক গ্ৰেপ্তাৰ কৰাৰ বাতৰি পোৱা গৈছে। সংযুক্ত আৰব-আমেৰী ৰাষ্ট্ৰইও ইৰাণৰ বহুকেইটা ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণ আক্ৰমণ প্ৰতিহত কৰা বুলি দাবী কৰিছে। ইপিনে, ইজৰাইলৰ বায়ুসেনাই আজি হিজবুল্লাৰ বেইৰুটত থকা মুখ্য কাৰ্যালয়কে ধৰি লেবাননৰ সামৰিক আন্তঃগাঁথনি বিশিষ্ট ১০ টা সু-উচ্চ ভৱনত আক্ৰমণ চলায়। এই সংঘৰ্ষৰ আৰম্ভণিৰেপৰা ইজৰাইলে বেইৰুটৰ দক্ষিণত থকা ডাহিয়ে অঞ্চলত মুঠ ২৬ বাৰ আক্ৰমণ চলাইছে। ইয়াৰ পূৰ্বে আজি ইজৰাইলে বেইৰুটত হিজবুল্লাৰ কমাণ্ডাৰ জেইড আলী জুম্মাৰ মৃত্যু হোৱা বুলি ঘোষণা কৰিছে। ইজৰাইলৰ নৌসেনাই আজি ত্ৰিপলী এলেকাত থকা হামাছৰ কমাণ্ডাৰ ৰাছিম আটাল্লা আলীক উৎখাত কৰে। ইপিনে, আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'লাল্ড ট্ৰাম্পে ইৰাণৰ সেনাক অস্ত্ৰ প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কমাণ্ডাৰ এডমিৰেল ব্ৰেড কুপাৰে আমেৰিকাৰ বাহিনীয়ে বিগত ৭২ ঘণ্টাত ইৰাণৰ ভিতৰৰ প্ৰায় দুশটা অঞ্চলত আক্ৰমণ চলোৱা বুলি প্ৰকাশ কৰিছে। অৱশ্যে ইৰাণৰ বিদেশ মন্ত্ৰী চৈয়দ আববাছ আৰঘ্‌চিয়ে কয়, যে ইৰাণে আমেৰিকাৰ প্ৰশাসনৰ সৈতে দুবাৰকৈ আলোচনাৰ চেষ্টা চলাইছে যদিও দুয়োবাৰে আলোচনাৰ মাজতে ইৰাণক আক্ৰমণ কৰা হৈছে।

০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে কয়, যে অৰ্থনৈতিকভাৱে অনগ্ৰসৰ গোলকীয় দক্ষিণৰ দেশসমূহৰ বাবে স্থিৰ সামুদ্ৰিক বিকাশ অতি প্ৰয়োজনীয়। নতুন দিল্লীত অনুষ্ঠিত ৰাইছিনা সন্মিলনৰ দ্বিতীয় দিনা অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ সিদ্ধান্তসমূহ কোনো এটা নিৰ্দিষ্ট গোটৰ বাবে নহয়, বৰঞ্চ ৰাষ্ট্ৰৰ হিতৰ বাবে লোৱা হয়। ভাৰতে নৌ পৰিবহণৰ স্বাধীনতাক নিৰন্তৰ সমৰ্থন কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰী সিঙে কয়, যে দেশে ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডৰ সাম্প্ৰতিক পৰিস্থিতি সলনি কৰাৰ একপক্ষীয় প্ৰয়াসৰো বিৰোধিতা কৰে। তেওঁ লগতে কয়, যে ইউক্ৰেইনেই হওক বা পশ্চিম এছিয়াই হওক ভাৰতে সদায় যোগাযোগ আৰু স্থিৰতাৰ প্ৰসাৰৰ বাবে ভাৰত-মধ্যপ্ৰাচ্য-ইউৰোপ অৰ্থনৈতিক কৰিড'ৰৰ দৰে পদক্ষেপৰ বিকাশৰ ক্ষেত্ৰত আলোচনা আৰু কূটনীতিত গুৰুত্ব আৰোপ কৰি আহিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ভাৰতৰ মুক্ত, অন্তৰ্ভুক্তিমূলক আৰু সহযোগিতামূলক ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগী থকাৰ দৰে ইউৰোপৰ সৈতে ভাৰতৰ সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধ আৰু ব্যৱহাৰিক আলোচনাৰ ওপৰত আধাৰিত বুলি শ্ৰী সিঙে প্ৰকাশ কৰে।

০০০০

অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত শীৰ্ষৰ আঠটা স্থানৰ বাবে ভাৰতৰ লক্ষ্য সেন আজি চীনৰ সপ্তম বাছনিৰ খেলুৱৈ লী শ্বি ফেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বাৰ্মিংহামত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জয়লাভ কৰি বিশ্বৰ দ্বাদশ স্থানৰ খেলুৱৈ লক্ষ্য সেনে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত তেওঁ হংকঙৰ এনজি কা লং এংগাছক ২১-১৯, ২১-২৩, ২১-১০ৰ পোনপটীয়া ছেটত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ মিক্সড ডাবলছ শাখাত ধ্ৰুৱ কাপিলা আৰু তানিছা ক্ৰেষ্টোই হংকঙৰ টাং চুন মন আৰু ছে য়িং শুৱেটৰ হাতত পৰাজয়বৰণ কৰাৰ পাছত লক্ষ্য সেনেই হ'ল এই প্ৰতিযোগিতাত বৰ্তি থকা ভাৰতৰ একমাত্ৰ খেলুৱৈ।

০০০০

ঃঃ সমাপ্ত ঃঃ